# 2022

## ASSAMESE

( Honours )

Paper : ASM-HC-3036

**( Culture of Assam )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) সংস্কৃতি শব্দটো কেনেদৰে নিষ্পন্ন হৈছে?

(খ) সংস্কৃত কিৰাত শব্দটোৰে কোনটো নৃগোষ্ঠীক বুজোৱা হয়?

(গ) 'কলিতা জাতিৰ ইতিবৃত্ত' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত শৈৱপীঠখনৰ নাম কি?

(ঙ) 'সত্ৰ' অসমৰ কোনটো ধৰ্মীয় পৰম্পৰাৰ অন্তৰ্গত?

(চ) অসমীয়া লোকসমাজত প্ৰচলিত এবিধ লোক-ঔষধৰ নাম লিখা।

(ছ) অসমীয়া লোকসমাজত দলীয়ভাৱে খেলা এটি খেলৰ নাম লিখা।

(জ) বুলবুলি যুঁজ অসমৰ কোন ঠাইত প্ৰচলিত?

(ঝ) অসমৰ এটি মাতৃপ্ৰধান জনগোষ্ঠীৰ নাম লিখা।

(ঞ) *Mother Goddess Kamakhya* গ্ৰন্থখনৰ ৰচক কোন?

(ট) আহোম যুগত নিৰ্মিত এখন শিলৰ সাঁকোৰ নাম উল্লেখ কৰা।

(ঠ) অসমত এতিয়ালৈকে আৱিস্কৃত সচিত্ৰ পুথিসমূহৰ ভিতৰত প্ৰাচীনতম পুথি কোনখন?

(ড) কোনখন সচিত্ৰ পুথি দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত হৈছিল?

(ঢ) খেৰাই কোন জনগোষ্ঠীৰ নৃত্য?

(ণ) কোনবিধ নৃত্য অসমৰ দ'ল, দেৱালয়, মন্দিৰ আদিত পূজা-সেৱাৰ অঙ্গ হিচাপে ব্যৱহাৰ হৈছিল?

(ত) 'শ্ৰীহস্তাৱলী' পুথিৰ ৰচক কোন?

(থ) 'মহোহো' উৎসৱ কেতিয়া পালন কৰা হয়?

(দ) আহোমসকলৰ বিবাহ পদ্ধতিটোক কি নামেৰে জনা যায়?

২। চমুকৈ উত্তৰ লিখা (যি কোনো **পাঁচটা**) : ২×৫=১০

(ক) মংগোলীয় সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(খ) অসমীয়া সমাজত প্ৰচলিত কৃষি সম্পৰ্কীয় দুটা লোকবিশ্বাস উল্লেখ কৰা।

(গ) বসন্ত কালত পালন কৰা দুটা কৃষি উৎসৱৰ নাম লিখা।

(ঘ) আলি-আই-লৃগাং উৎসৱত গোৱা গীতবোৰক আৰু নাচটোক কি বুলি কোৱা হয়?

(ঙ) অসমৰ দুখন শক্তিপীঠৰ নাম লিখা।





(চ) অসমৰ শৈৱ পৰম্পৰাৰ লগত জড়িত হৈ থকা দুবিধ গছৰ নাম উল্লেখ কৰা।

(ছ) অসমীয়া সমাজত ব'হাগ বিহু আৰু মাঘ বিহুৰ সময়ত খেলা দুবিধ খেলৰ নাম উল্লেখ কৰা।

(জ) অসমত প্ৰচলিত পানীখেল দুবিধৰ নাম লিখা।

(ঝ) শংকৰদেৱে নিজে আঁকা অথবা তেওঁৰ তত্ত্বাৱধানত হোৱা দুটা চিত্ৰকলাৰ উদাহৰণ দিয়া।

(ঞ) অসমৰ কোনখন পুথিক লতাকটা পুথি বুলি কোৱা হয়? ইয়াৰ কাৰণ কি?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) তলৰ যি কোনো *এটি* জনগোষ্ঠীৰ বিষয়ে চমুকৈ লিখা :

বড়ো, গাৰো, মিচিং।

(খ) আহোম ৰাজত্বৰ সময়ৰ ৰজাঘৰীয়া খেল-ধেমালিৰ বিষয়ে চমুকৈ লিখা।

(গ) পৰিৱেশ্য কলা হিচাপে ওজাপালিৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমৰ লোকচিকিৎসা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঙ) ৱান্‌গালা উৎসৱ কোন জনগোষ্ঠীয়ে পালন কৰে? উৎসৱটোৰ বিষয়ে চমুকৈ লিখা।

(চ) জনগোষ্ঠীয় সমাজত ডেকাচাঙৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(ছ) অসমৰ প্ৰাচীন স্থাপত্য চিহ্নবোৰ স্থায়ী হৈ নথকাৰ প্ৰধান কাৰণসমূহ উল্লেখ কৰা।

(জ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিৰ চিত্ৰকলা সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) সংস্কৃতি বুলিলে কি বুজা যায়? সংস্কৃতিৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) বিভিন্ন নৃগোষ্ঠীৰ সংমিশ্ৰণত কেনেদৰে অসমীয়া জাতি গঠন হৈছে, আলোচনা কৰা।

(গ) কৃষি উৎসৱ হিচাপে বিহুৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(ঘ) অসমীয়া সমাজত জন্ম আৰু মৃত্যুৰ সময়ত কেনেধৰণৰ সামাজিক লোকাচাৰ পালন কৰা হয়, বিৱৰি লিখা।

(ঙ) অসমৰ বৈষ্ণৱ ধৰ্মক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিৱেশ্য কলাসমূহৰ বিষয়ে আলোচনা কৰা।

(চ) অসমৰ লোকসমাজত প্ৰচলিত খেল-ধেমালিসমূহৰ বিষয়ে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা।

(ছ) আহোমৰ ৰাজত্বকালত নিৰ্মিত হোৱা স্থাপত্যসমূহৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(জ) আহোমসকলে অসমৰ সমাজ-জীৱনক কেনেদৰে সমৃদ্ধ কৰিছে, আলোচনা কৰা।

(ঝ) অসমৰ চিত্ৰকলাৰ পৰম্পৰা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঞ) অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদানৰ বিষয়ে আলোচনা কৰা।

★ ★ ★